কেই শ্ৰেষ্ঠ বুলি কোৱা হৈছে। ভক্তিৰ ক্ষেত্ৰত-ব্ৰাহ্মণ চণ্ডাল সকলোৰে সমান অধিকাৰ। নাম, দেৱ, গুৰু আৰু ভকত এই চাৰিটিয়ে হ'ল বৈষ্ণৱ ধৰ্মৰ চাৰি খুটি। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদিকৈ ধৰ্মগুৰু আৰু তেওঁলোকৰ শিষ্য-প্ৰশিষ্যই অসমত বিভিন্ন ঠাইত কেইবা শ সত্ৰ-নামঘৰ স্থাপন কৰিছিল। সেই সত্ৰ আৰু নামঘৰক কেন্দ্ৰ কৰি অসমত নৱ বৈষ্ণৱ ধৰ্মৰ সোঁত আজিও সাৱলীল গতিত আমাৰ সমাজত বৈ আছে।

ওপৰত অসমৰ শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰাচীনত্ব আৰু পৰম্পৰা সম্পৰ্কে কিঞ্চিৎ আভাস দিয়া হ'ল। এতিয়া চোৱা যাওক অসমত এই তিনিওটি ধৰ্মৰ কেনেদৰে সমন্বয় ঘটিছে আৰু ই অসমীয়াৰ সামাজিক আৰু আধ্যাত্মিক জীৱনত কিদৰে ৰেখাপাত কৰিছে।

পৃথিৱীৰ যিসকল লোকৰ নিজ ধৰ্মৰ প্ৰতি আনুগত্য নাই, বা যিসকল লোকে আনৰ ভয়ত, প্ৰৰোচনাত বা প্ৰলোভনত ধৰ্মান্তৰ হয়, সেই নিজত্বহীন লোকবোৰৰ কথা সুকীয়া; কিন্তু এইটো ঠিক যে, পৃথিৱীৰ সকলো আত্ম সচেতন লোকে নিজৰ ধৰ্মটিক প্ৰাণ ভৰি ভাল পায়। নিজৰ ধৰ্ম বা তাৰ গৌৰৱ ৰক্ষাৰ কাৰণে প্ৰাণ আহুতি দিওঁতাৰ উদাহৰণো পৃথিৱীত অসংখ্য আছে। অৱশ্যে ধৰ্মৰ উগ্ৰতাও বাঞ্ছনীয় নহয়। ধৰ্মৰ উগ্ৰতাৰ কাৰণেই ভাৰতবৰ্ষত হিন্দুস্থান-পাকিস্তানৰ জন্ম হ'ল যাৰ বিষময় পৰিণাম হিন্দুস্থান-পাকিস্তানৰ আৰু আজি নকৈ জন্ম পোৱা বাংলাদেশৰ লোকে ভোগ কৰিব লগা হৈছে। অসমৰ শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ ইতিহাসত শৈৱ-শাক্তৰ সংঘৰ্ষ হোৱাৰ প্ৰমাণ পোৱা নাযায়। পৌৰাণিক কাহিনীমতে শিৱ আৰু শক্তি একে পৰিয়ালৰ বুলিয়েই হওঁক, অথবা শৈৱধৰ্ম আৰু শাক্তধৰ্মৰ আচাৰ-অনুষ্ঠানৰ মাজত ভালেখিনি সাদৃশ্য থকা কাৰণেই হওক, এই দুইটি ধৰ্মৰ



মাজত আজি বিশেষ মত বিৰোধ হোৱা দেখা নাযায়। প্ৰকৃতাৰ্থত ক'ব লাগিলে শৈৱধৰ্মী বুলি আজি আৰু কোনো অসমীয়া লোকক নিৰ্দেশ কৰিব নোৱাৰি। কোনোবা যদি শিৱপূজক, আছে তেওঁ শক্তি বা বিষ্ণুৰ সেৱক হলেও আচৰিত হব লগীয়া একো নাই। অসমত বহু শিৱ বা দেৱীৰ মন্দিৰ আছে য'ত দৈনিক বা বছৰৰ নিৰ্দিষ্ট পৰ্বত শিৱ আৰু দুৰ্গাৰ পূজা-উৎসৱ চলে। ওপৰত উল্লেখ কৰা অৰ্ধনাৰীশ্বৰৰ পূজাও এই প্ৰসঙ্গত স্মৰণীয়। দ্বাদশ শতিকাৰ কামৰূপৰাজ ধৰ্মপালৰ ফলিত শিৱৰ অৰ্দ্ধনাৰীশ্বৰ ৰূপ অংকন কৰি প্ৰণাম জনোৱাৰ কথা উল্লিখিত হৈছে। আদিম যুগত হয়তো শিৱ বা শক্তিক একেবাৰে বেলেগকৈ পূজা কৰা হৈছিল; কিন্তু সময়ত শিৱ-শক্তি অভিন্ন, বা দুয়ো অৰ্দ্ধনাৰীশ্বৰ বা যুৱতীশ্বৰ হ'লগৈ। এই ধাৰণাৰ (concept) উৎপত্তি হোৱাৰ পিছৰ পৰাই সম্ভৱ শিৱ-শক্তিৰ পূজা আৱশ্যকতে একেলগে হবলৈ আৰম্ভ কৰে।

যেতিয়ালৈকে অসমৰ শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মত তান্ত্ৰিকতাই বিৰাজ কৰিছিল, তেতিয়ালৈকে (১৫শ শতিকা মানলৈ) খুব সম্ভৱ ধৰ্ম কেইটিৰ মাজত কোনো বিৰোধ হোৱা নাছিল। কিবা বিৰোধ হৈছিল যদিও তাৰ ঐতিহাসিক প্ৰমাণ পোৱা নাযায়। সেই সময়ত বৰং বিভিন্ন ধৰ্মৰ মাজত সহনশীলতা আৰু মিলা-প্ৰীতিৰহে নিদৰ্শন পোৱা যায়। প্ৰাক্ আহোম যুগৰ তাম্ৰ শাসনৰ পৰা জনা যায় যে, প্ৰাচীন কামৰূপৰ কেবাজনো ৰজাই একাধিক ধৰ্মৰ প্ৰতি শ্ৰদ্ধা বা আনুগত্য প্ৰকাশ কৰিছিল। কামৰূপ-ৰাজ ধৰ্মপালে (১১শ বা ১২শ শতিকা) শিৱ আৰু বিষ্ণু উভয়ৰে প্ৰতি ভক্তি প্ৰদৰ্শন কৰিছিল। কমৌলি শাসন-লিপিত পোৱা যায় যে, কামৰূপাধিপতি বৈদ্যদেৱে (১২শ শতিকা) নিজকে 'পৰম মাহেশ্বৰ' আৰু 'পৰম বৈষ্ণৱ' বুলি পৰিচয় দিছিল। গুৱাকুচি তাম্ৰশাসন-লিপিত ধৰ্মৰ প্ৰতি থকা সহনশীলতাৰ এটি সুন্দৰ নিদৰ্শন